# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসমৰ ভূমিত ভাৰত-বাংলাদেশ সীমান্তৰ প্ৰায় ২২৯ কিলোমিটাৰ এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে বুলি সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি বিধানসভাত প্ৰকাশ কৰে। বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ প্ৰশ্নৰ উত্তৰত শ্ৰীবৰাই বাকী থকা অংশ নদী অঞ্চল হোৱা বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই বুলি প্ৰকাশ কৰে। বেৰ নিৰ্মাণ কৰিবলৈ বাকী থকা অংশৰ অন্তৰ্গত শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত প্ৰায় ৫ কিলোমিটাৰ অংশত আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই বুলি তেওঁ কয়। নদী অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীয়ে পৰ্যবেক্ষণ চকী স্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আহিছে বুলি তেওঁ বিধানসভাত জানিবলৈ দিয়ে। সীমান্ত সুৰক্ষা উন্নত কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সুচল কৰি তুলিবলৈ যোৱা নৱেম্বৰত তামুলপুৰ জিলাৰ দৰঙাৰ ভাৰত-ভূটান সীমান্তত প্ৰথমটো সংহত তালাচী চকী মুকলি কৰা হয়। তদুপৰি ভাৰত-ভূটানৰ মাজত যোগাযোগ উন্নত কৰিবলৈ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত কোকৰাঝাৰ-গেলেফু ৰে'লপথ প্ৰকল্পৰ কথা ঘোষণা কৰা হয়। ৩৫ হাজাৰ কোটি টকাৰ এই প্ৰকল্প কোকৰাঝাৰত আৰম্ভ হ'ব আৰু ভূটানৰ গেলেফুত অন্ত পৰিব। ইয়াৰ জৰিয়তে বাণিজ্য, পৰ্যটন আৰু আঞ্চলিক উন্নয়নৰ গতি ত্বৰান্বিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooo

ৰাজ্যৰ উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ অধীনৰ উদ্যান শস্য অভিযানৰ অংশ হিচাপে শীতল ভঁৰাল স্থাপনৰ ব্যৱস্থা কৰা হৈছে বুলি কৃষি মন্ত্ৰী অতুল বৰা আজি বিধানসভাত উল্লেখ কৰে। এই আঁচনিৰ অধীনত ইচ্ছুক কৃষকে ৫০ শতাংশ ৰাজ সাহায্যত সামগ্ৰী লাভ কৰিব বুলি তেওঁ কয়। কৃষকসকলে স্থানীয় জিলা কৃষি বিষয়াৰ জৰিয়তে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। আবেদন পত্ৰ লাভ কৰিলে সঞ্চালকালয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ আশ্বাস দিয়ে।

শ্ৰীবৰাই আন এটা প্ৰশ্নৰ উত্তৰত কয়, যে ৰাজ্যৰ কৃষি বিভাগে ২০১৬ চনৰ পৰা বৰ্তমানলৈ ১৭ হাজাৰতকৈ অধিক ট্ৰেক্টৰ আৰু ৩ হাজাৰতকৈ অধিক পাৱাৰ টিলাৰ বিতৰণ কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ জৈৱপ্ৰযুক্তি বিভাগ আৰু ৰাজ্য চৰকাৰে অৰ্থনীতি, পৰিবেশ আৰু কৰ্মসংস্থাপনৰ বাবে জৈৱপ্ৰযুক্তি - বায়ো ই-থ্ৰী নীতিৰ অধীনত এখন ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে ৰাজ্যত বহনক্ষম জৈৱপ্ৰযুক্তি অনুকূল বাতাবৰণ গঢ়ি জৈৱ উৎপাদন ত্বৰান্বিত কৰাৰ লক্ষ্য ধাৰ্য কৰা হৈছে। চুক্তিৰ অধীনত জৈৱপ্ৰযুক্তি বিভাগে যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়াব আৰু সহযোগিতাৰ পথ সূচল কৰিব। ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰে বায়ো ই-থ্ৰী কোষ গঠন কৰি এই উদ্যমক আগুৱাই লৈ যাব। ৰাজ্য চৰকাৰে

অসম বায়ো ই-থ্ৰী পৰিকল্পনাও যুগুতাই উলিয়াব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীসভাই যোৱা আগষ্টত ভাৰতবৰ্ষক জৈৱ আধাৰিত উদ্ভাৱনৰ অগ্ৰণী ৰূপে গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

ooooo

দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা সত্ৰত কাইলৈ সন্ধিয়া গোন্ধ যাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। হোলী গীতৰ প্ৰসাৰৰ অংশ হিচাপে আজি বৰ্ণিল বসন্ত নামেৰে হোলী গীত পৰিৱেশনৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰায় ৮০টা দলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বৰপেটা ৰাখাল থান খেলপথাৰৰ পৰা বৃহৎ শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত ভালেকেইখন সত্ৰৰ সত্ৰাধিকাৰে অংশগ্ৰহণ কৰে।

ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে গোৱালপাৰাতো বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপনৰ প্ৰস্তুতি চলাই থকা হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কাইলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব। গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰতো কাইলৈ সন্ধিয়া অধিবাস আৰু সান্ধ্য কীৰ্তনৰ আয়োজন কৰা হৈছে।

দৌল যাত্ৰা উপলক্ষে মৰিগাঁও আৰু নগাঁৱৰ জিলা আয়ুক্তই অহা ১৫ মাৰ্চত স্থানীয় বন্ধ ঘোষণা কৰিছে।

ooooo

মৰিগাঁও আৰক্ষীয়ে যোৱা নিশা চহৰখনত অভিযান চলাই বুজন পৰিমাণৰ নকল সোণসহ পাঁচজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোককেইজনৰ পৰা ২ কেজি ২৮৩ গ্ৰাম ওজনৰ নকল সোণৰ নাও আৰু সোণৰ টুকুৰাৰ লগতে নগদ ৪৯ হাজাৰ টকা জব্দ কৰা হয়। ধৃত লোককেইজনৰ ভিতৰত তিনিজন উত্তৰ প্ৰদেশৰ লোক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই লোককেইজনৰ সন্দেহজনক গতিবিধি লক্ষ্য কৰি মৰিগাঁও সদৰ আৰক্ষীৰ এটা তহলদাৰী দলে অভিযান আৰম্ভ কৰে। প্ৰাথমিক তথ্যৰ ভিত্তিত জিলা আৰক্ষী অপৰাধ শাখাৰ অতিৰিক্ত অধীক্ষকে অভিযান চলাই লোককেইজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

ooooo

কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনৰ সহযোগত নলবাৰীত অনুষ্ঠিত ১৫ দিনীয়া পাণ্ডুলিপি অধ্যয়ন কৰ্মশালাৰ আজি সামৰণি পৰে। গুৱাহাটী বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনৰ সমন্বয়ক শ্ৰীধৰ বাৰিকে কৰ্মশালাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ পুৰণি পাণ্ডুলিপিসমূহ সংৰক্ষণ কৰিবলৈ সকলোকে আহ্বান জনায়।

ooooo

সমাপ্ত